# ৩২৬তম ভাচুৱৰেল ঋত্বিক সন্মিলনত

# পূজনীয় বিংকীদাৰ বক্তব্য (সম্পাদিত)

# ডিচেম্বৰ ৩১, ২০২১

জয়গুৰু! খুব সীমিত সময়ৰ ভিতৰত আমি এই ঋত্বিক সন্মিলনৰ আয়োজন কৰিলো। হাতত সময় বেছি নাছিল। এই যে এটা বিৰাট পট-পৰিবৰ্ত্তনৰ লীলা সংঘটিত হৈ গল আমাৰ জীৱনত, তাৰেই যা-জোগাৰ কৰোঁতে কৰোঁতে এই ঋত্বিক সন্মিলনৰ সময় আহি পালে। আৰু সংকৰমণৰ আশঙ্কা তো এতিয়াও আছেই, সেয়ে যোৱা কেইবাৰৰ দৰে এইবাৰো ভাচুৰয়েল উপায়েৰেই ঋত্বিক সন্মিলন অনুষ্ঠিত কৰা হৈছে। পৰমপূজ্যপাদ মেজদা, মোৰ পূজনীয় মাজুখুড়া, সৎসঙ্গৰ সভাপতি—তেওঁৰ আশীৰ্বাদীয় কিছু কথা আমাক কৈছে। সৎসঙ্গৰ চেক্ৰেটেৰী মহোদয়, শ্ৰদ্ধেয় কাৰ্তিকদাই কিছু কথা কোৱাৰ লগতে বা্ষিৰক বিৱৰণী পাঠ কৰিছে। তাৰোপৰি,এই যে মই কৈছো, আমাৰ তিনিওজনৰ বক্তব্য লৈয়েই এইবাৰৰ ঋত্বিক সন্মিলন।

বিশেষ কিছু জৰুৰী কথা আছে, সেই সমূহ কথা আপোনালোকক—কৰ্মীসকলৰ প্ৰত্যেককে জনোৱা প্ৰয়োজন৷ ঠাকুৰৰ পাঞ্জাধাৰী কৰ্ম্মী-সেৱকসকল তেওঁৰ বা্ত্তৰাবাহী, তেওঁৰ আদৰ্শবাহী, তেওঁৰ আদৰ্শ প্ৰতি-প্ৰত্যেকৰ জীৱনলৈ বোৱাই দিয়া কৰ্মীসকলৰ কাম। সেয়ে তেওঁলোকৰ কিছু কথা অৱগত হোৱাটো প্ৰয়োজন। সেই সমূহ কথা জানি, সেই অনুযায়ী নিজে আচৰণশীল হোৱা, লগতে প্ৰত্যেককে সেই পথত চলিবলৈ অভ্যস্ত কৰোৱা—এইটোৱেই হৈছে কৰ্মীসকলৰ কাম। এই যে পট-পৰিবৰ্ত্তন হল আমাৰ সকলোৰে জীৱনৰ সন্মুখত, ইয়াৰেই পৰিপ্ৰেক্ষিতত কিছু কথা জনোৱা দৰকাৰ আপোনালোকক। মনোযোগ দি শুনিব, জানি লব, বুজি লব—সেই অনুযায়ী সেয়া বাস্তবায়িত কৰিব নিজৰ জীৱনত, সকলোৰে জীৱনত, লগতে সৎসঙ্গৰ যি সমূহ প্ৰতিষ্ঠান আছে বিভিন্ন জেগাত—সৎসঙ্গ কেন্দ্ৰ-মন্দিৰ-বিহাৰ যি সমূহ আছে, সেই প্ৰতিষ্ঠানসমূহতো সেই কথা বাস্তৱায়িত কৰি তুলিব।

আমি আমাৰ জীৱনত ঠাকুৰক গ্ৰহণ কৰি, তেওঁক অনুসৰণ কৰি চলাৰ সংকল্প লৈছোঁ। কিয় লৈছোঁ? নিজৰ বচা-বঢ়াৰ চাহিদাত। আমি বাচি থাকিবলৈ বিচাৰোঁ, বাঢি উঠিবলৈ বিচাৰোঁ—সেই চাহিদাতেই লৈছোঁ; লগতে তেওঁ যেনেভাৱে আমাক চলি অভ্যস্ত হবলৈ কৈছে, সেই চলনত আমি অভ্যস্ত হোৱাৰ সংকল্প লৈছোঁ৷ যাৰ যেনেকৈ, যেনে সাধ্য সেয়া লৈয়েই তেনেভাৱে চলাৰ চেষ্টা কৰোঁ ।

বিগত ডিচেম্বৰ মাহৰ ১৬ তাৰিখে পৰমাৰাধ্য পিতৃদেৱ পাৰ্থিৱ লীলা সংবৰণ কৰি ব্ৰহ্মলীন হ'ল। তেওঁ নিজৰ সমগ্ৰ জীৱন দি, সমগ্ৰ সত্তা দি দয়াল ঠাকুৰৰ প্ৰতিষ্ঠা, দয়াল ঠাকুৰক প্ৰকাশ কৰি গৈছে—নিজ পিতৃদেৱৰ দৰে। তেওঁৰ জীৱনটোৱেই আছিল যেন দয়াল ঠাকুৰৰ ভাৱৰ দিব্য প্ৰকাশ। সমগ্ৰ জীৱন বিয়াপী তেওঁ সেই প্ৰকাশ বিচ্ছুৰণ কৰি, প্ৰকৃতিৰ অমোঘ নিয়মেৰে, পৰিণত বয়সত লীলা সংবৰণ কৰি ব্ৰহ্মলীন হৈ গল—নিজধামলৈ প্ৰত্যাবৰ্ত্তন কৰিলে। পুৰুষোত্তম কিন্তু চিৰ-অতন্দ্ৰ। তেওঁৰ ৰথ থমকি নৰয়, তেওঁৰ চলাৰ গতি থমকি নৰয়। দুৰ্বাৰ গতিত সেই ৰথ চলিয়েই থাকিব। কোনোৱেও তাক ব্যাহত কৰিব নোৱাৰে, কোনো কাৰণেই সেয়া ব্যাহত নহয়। তেওঁ যি কাৰণত এই ধৰাধামত আৱিৰ্ভূত হৈছে, সেই কাৰণ সিদ্ধ হোৱালৈকে অবিৰাম চলনা চলিবই। তেওঁৰ দিব্য-লীলা নানা-ৰূপত, নানা-ৰসত, নানা-শব্দত, নানা-গন্ধত, নানা-বৰ্ণত আমাৰ জীৱনক উদ্ভাসিত কৰি তুলিব, পুষ্ট কৰি তুলিবই। আমি কেনেভাৱে চলিব লাগিব, কেনেভাৱে ভাবিব

লাগিব, কেনেভাৱে কব লাগিব, কেনেভাৱে প্ৰতিটো পদক্ষেপ ল'ব লাগিব–প্ৰত্যেকটোৰে ব্যৱস্থা স্বয়ং তেওঁ, আমাৰ প্ৰিয়পৰম, পৰমদয়াল, পৰমপ্ৰেমী–পৰমপ্ৰেমময় পুৰুষোত্তম শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰ স্বয়ং কৰি দিছে। এই ‘সৎসঙ্গ’-ত যি হৈ থাকে, যি সমূহ নিয়ম, যি সমূহ বিধি, সব কিন্তু তেওঁৰেই প্ৰদত্ত, তেওঁৰেই আশীৰ্বাদ, তেওঁৰেই অনুশাসন। সেই অনুশাসন, নিয়ম, বিধি মানিয়েই সকলোবোৰ সংঘটিত হৈ থাকে স্বাভাৱিক গতিত, কোনো একোৱেই থমকি নৰয়। সব ব্যৱস্থা তেঁৱেই কৰে।

পৰমাৰাধ্য পিতৃদেৱ, সকলোৰে পৰমপ্ৰিয় পৰমপূজ্যপাদ শ্ৰীশ্ৰীদাদাৰ অবৰ্তমানত তেওঁৰ সুযোগ্য জ্যেষ্ঠাত্মজ পৰমপূজ্যপাদ শ্ৰীশ্ৰীঅৰ্কদ্যুতি চক্ৰৱৰ্তী, মোৰ দাদা, তেওঁ তৎস্থলাভিষিক্ত হৈ ইষ্টৰ চেতন-প্ৰতীক, তেওঁৰ জীৱন্ত, সচল অভিব্যক্তি আচাৰ্য্যদেৱ-ৰূপে এতিয়া আমাৰ সম্মুখত আছে। তেওঁক লৈয়েই আমি চলিব লাগিব। তেওঁ একাধাৰে প্ৰিয়পৰম দয়াল ঠাকুৰক নিজৰ আচৰণত প্ৰস্ফুটিত কৰাৰ লগতে নিজৰ পিতৃ-পৰম্পৰাক জীৱন্ত ৰাখি আমাৰ অগ্ৰৱৰ্তী হৈ, অগ্নি-ৰূপে–অগ্নি মানে যিয়ে আমাক অগ্ৰগামী কৰে, আচাৰ্য্য-ৰূপে আমাৰ পথ প্ৰদৰ্শন কৰিব। তেওঁৰ দ্বাৰা পৰিচালিত হৈয়েই আমি পৰমদয়ালৰ ঈপ্সিত পথত নিষ্ঠা, আনুগত্য তথা কৃতি-সম্বেগ-সহ চলিব লাগিব। এয়েই হল আমাৰ জীৱন, এয়েই হল জীৱনবৰ্ধনৰ উপায়, এয়েই হল জীৱনক পূৰ্ণ কৰাৰ উপায়, সাৰ্থক কৰাৰ উপায়–এয়েই হল মানৱতাক বচাই ৰখাৰ উপায়। আমি বহু-বহু মানুহেৰে উদ্ভিন্ন হৈ উঠিব লাগিব, এই ভাব বিস্তাৰিত কৰি দিব লাগিব। আচাৰ্য্যদেৱক সম্মুখত ৰাখি, তেওঁৰ ঈপ্সিত ভাৰত পৰমদয়ালৰ ইচ্ছাক বাস্তৱায়িত কৰি উঠাব লাগিব আমি–এয়েই আমাৰ শপথ, এয়েই আমাৰ সংকল্প, এয়েই আমাৰ প্ৰতিজ্ঞা। আমাৰ একো হেৰুৱাৰ কথা নাই৷ আমাৰ যি পোৱাৰ, নিয়তি ইতিমধ্যেই, বহু পূৰ্বেই তাক নিৰ্ধাৰিত কৰি দিছে–আমি দয়ালক পাইছোঁ এই জীৱনত! তেওঁ পূৰ্ণ! সকলোবোৰ তেওঁৰ ভিতৰতেই আছে, তেওঁৰ বাহিৰত একোৱেই নাই। সেই কাৰণে হেৰাই যোৱাৰ ভয়, অভিভূতি, দুঃখ বা গ্লানিয়ে আমাক গ্ৰাস কেতিয়াও কৰিব নোৱাৰে।

এইবাৰ মই কিছু কামৰ কথা কওঁ, এই সমূহ কথা জানি ৰাখক আপোনালোকে। সকলোৰে ভালকৈ এই সমূহ বুজি লব, জানি লব, লগতে ভালকৈ যাতে এই সমূহ পৰিপালিত হৈ চলে নিজৰ জীৱনত, নিজৰ পৰিবাৰত, পৰিবেশত, পাৰিপাৰ্শ্বিকত, প্ৰাতিষ্ঠানিকভাৱে সমস্ত ঠাইত, সমস্তৰে জীৱনত–সেয়া আপনালোকে মূৰ্ত কৰি তুলিব।

দীক্ষাদাতা কৰ্মীসকলৰ উদ্দেশ্যে কওঁ, ইষ্টৰ চেতন প্ৰতীক হল আচাৰ্য্যদেৱ। সেয়ে, বৰ্তমান যিজনা আচাৰ্য্যদেৱ, তেওঁৰ প্ৰতিকৃতি সম্মুখত নৰখাকৈ কেতিয়াও দীক্ষাদান নকৰিব। যিজনা বৰ্তমান, তেওঁৰ ভিতৰতেই বিগত যিজনা তেওঁ বিদ্যমান। আমাৰ ইষ্ট, আৰাধ্য, ধ্যেয়, পূজ্য সমস্তই কিন্তু দয়াল ঠাকুৰ। দয়াল ঠাকুৰৰ শৰণাগতিৰ বাবে, দয়াল ঠাকুৰক নিজৰ ইষ্ট হিচাৱে গ্ৰহণ কৰিবলৈ দীক্ষাদাতা কৰ্ম্মীসকলৰ মাধ্যমেৰে যি দীক্ষাদান হয়, সেই সময়ত ইষ্টৰ লগতে ইষ্টৰ চেতন প্ৰতীক–এই দুয়োখন প্ৰতিকৃতি যথাযোগ্য মৰ্যাদাসহ ৰাখিব লাগিব। ইষ্টৰ চেতন প্ৰতীকৰ মাধ্যমেৰেই কিন্তু ইষ্টৰ লগত যুক্ত হয়। আৰু ইষ্টৰ চেতন প্ৰতীক হল আচাৰ্য্যদেৱ। দীক্ষাৰ আসনত যি ফটো ৰখা হয়–দীক্ষাৰ সময়ত কৰ্মীসকলে যে ঠাকুৰৰ ফটো ৰাখে, আচাৰ্য্যদেৱৰ ফটো ৰাখে, চক্ৰ ফটো ৰাখে, এতিয়াৰে পৰা আচাৰ্যদেৱৰ ফটো মানে কিন্তু বৰ্তমান আচাৰ্য্যদেৱৰ ফটো আপনালোকে ৰাখিব। পৰমাৰাধ্য বাবাৰ ফটো দীক্ষাৰ সময়ত ৰখা এতিয়াৰে পৰা কোনো প্ৰয়োজন নাই। বৰ্তমান আচাৰ্য্যদেৱৰ ফটো ৰাখিব লাগিব। এয়েই বিধি, এয়েই নিয়ম।

আৰু বিভিন্ন ঠাইত ঠাকুৰৰ আসন বা ঠাকুৰৰ পট আমি ৰাখোঁ। ঠাকুৰৰ আসনত যি থাকে সমস্তই সম্পূৰ্ণ ঠাকুৰৰ ভাববাহী এটা একক প্ৰতিকৃতি। সেইটোৰও এটা অৰ্থ আছে, উদ্দেশ্য আছে৷ ইয়াত কিন্তু খামখেয়ালি ভাৱে যি ইচ্ছা কৰিলে, যেন-তেন প্ৰকাৰে কৰিলে, বিশেষকৈ সমষ্টিগতভাৱে যেতিয়া আমি

তেওঁক লৈ চলোঁ, তেতিয়া কিন্তু খেয়াল-খুচিভাৱে চলিলে, সেইটোৱে ব্যত্যয় মাতি আনে। খামখেয়ালিভাৱে চলাৰ কোনো অধিকাৰেই আমাৰ নাই। নিজৰ মনেগড়া ৰকমেৰে সাধন-ভজন কৰা, যি ইচ্ছা তাকে কৰা, বা সেই কৰাত আনকো অন্তভুৰক্ত কৰা, আনকো উদ্বুদ্ধ কৰাৰ কোনো অধিকাৰ আমাৰ নাই। যিসকলে এনে কৰে, যিসকলে মানুহক বিভ্ৰান্ত কৰে নিজৰ মনেগড়া ৰকমেৰে চলিবৰ কাৰণে, তেওঁলোকৰ বিভ্ৰান্তিৰ মায়াজালত কোনোৱেই জড়িত হৈ নপৰিব। প্ৰত্যেকটো কৰাৰ পশ্চাৎপটত এটা তাৎপৰ্য্য আছে, প্ৰত্যেকটো কামৰেই তাৎপৰ্য্য আছে। সেই তাৎপৰ্য্য অনুযায়ী চলিব লাগিব, সেই ভাব অনুযায়ী চলিব লাগিব৷ ভাৱৰ স্খলন হলে তেতিয়া কিন্তু প্ৰাপ্তিৰ ভাণ্ডাৰ শূন্য হৈ ৰৈ যায়। একোৱেই পোৱা নাযায়। কিয়নো ভাৱটোৱেই তো নাই, ভাৱহাৰা ৰকমেৰে চলিলে একোৱেই নহয়। এতিয়াৰে পৰা ঠাকুৰৰ যি আসন, তাত বৰ্তমান আচাৰ্য্যদেৱৰ প্ৰতিকৃতি স্থাপন কৰিব লাগিব। ঠাকুৰ, বড়মা, বড়দা—এই তিনিওখন প্ৰতিকৃতি যেনেভাৱে স্থিৰ আছে তেনেভাৱেই থাকিব আৰু পৰমাৰাধ্য বাবাৰ প্ৰতিকৃতি, মানে পৰমপূজ্যপাদ শ্ৰীশ্ৰীদাদাৰ প্ৰতিকৃতিৰ পৰিবৰ্তে সেই ঠাইত বৰ্তমান আচাৰ্য্যদেৱৰ প্ৰতিকৃতি স্থাপন কৰাটোৱেই বিধেয়। এনেভাৱে আপোনালোকে কেন্দ্ৰ-মন্দিৰসমূহতো, লগতে অন্যান্য ঠাইত, ঘৰত তেনেভাৱেই ৰাখিব। আৰু পৰমাৰাধ্য পিতৃদেৱৰ প্ৰতিকৃতি যদি ৰাখিব বিচাৰে তেন্তে বেলেগে যথাযোগ্য স্থান নিৰ্বাচন কৰিব, সুন্দৰভাৱে দেৱালত আঁৰি মৰ্য্যাদা সহকাৰে তাত ৰাখিব পাৰে, তেওঁক স্মৰণ কৰিব পাৰে, শ্ৰদ্ধা-প্ৰণাম জ্ঞাপন কৰিব পাৰে। কিন্তু ঠাকুৰৰ যে প্ৰতিকৃতি, আসন, তাত ঠাকুৰ, বড়মা, বড়দা, লগতে বৰ্তমান আচাৰ্য্যদেৱ—এনে কৰমিকভাৱে ৰাখিব। বাবাৰ যিখন প্ৰতিকৃতি আচাৰ্য্যদেৱৰ আসনত আছিল সেইখন দেৱালত সুন্দৰকৈ মৰ্য্যদাসহ আঁৰি ৰাখিব পাৰে। আৰু বিভিন্ন কেন্দ্ৰ-মন্দিৰসমূহত আচাৰ্য্যদেৱৰ নিৰ্দ্দিষ্ট কক্ষ বা আচাৰ্য্যদেৱৰ নিৰ্দ্দিষ্ট নাটমণ্ডপত যি শয্যা পাতি থোৱা আছে বা প্ৰতিকৃতি ৰখা আছে, সেই তক্তা, শয্যা সেইবোৰ সমস্ত উঠাই লৈ গৈ যত্ন কৰি গুচাই ৰাখি থৈ সেই ঠাইত বৰ্তমান আচাৰ্য্যদেৱৰ প্ৰতিকৃতি স্থাপন কৰি, পৰমাৰাধ্য বাবাৰ প্ৰতিকৃতি তাত সুন্দৰভাৱে দেৱালত যথাযোগ্য মৰ্যাদাৰেৰে স্থাপন কৰিব পাৰে। কিন্তু আমাৰ উপাসনাৰ ঠাইত, প্ৰাৰ্থনাৰ ঠাইত, পূজাৰ ঠাইত—তাত কিন্তু শ্ৰীশ্ৰীঠাকুৰ, শ্ৰীশ্ৰীবড়মা, শ্ৰীশ্ৰীবড়দা, লগতে বৰ্তমান আচাৰ্য্যদেৱ—এনে কৰমিকভাৱে সকলোৱেই ৰাখিব আৰু চলিব। এই যে আমি বিভিন্ন কেন্দ্ৰ-মন্দিৰত প্ৰাৰ্থনাৰ পিছত প্ৰদীপ লৈ প্ৰণাম কৰোঁ, প্ৰথমে ঠাকুৰ-প্ৰণাম কৰোঁ, তাৰপিছত বড়মাক প্ৰণাম কৰোঁ, তাৰপিছত বড়দাক প্ৰণাম কৰোঁ, তাৰপিছত আচাৰ্য্যদেৱক প্ৰণাম কৰোঁ। এই চাৰি ৰকমেৰেই প্ৰণাম কৰিব। বৰ্তমান আচাৰ্য্যদেৱক প্ৰণাম কৰিলেই তাৰ ভিতৰেদিয়েই পূৰ্ববৰ্তী আচাৰ্য্যদেৱকো শ্ৰদ্ধা-প্ৰণাম জ্ঞাপন কৰা হয়। বৰ্তমানৰ ভিতৰেদিয়েই পূৰ্ববৰ্তী নিহিত আছে। “পূৰ্ব্বৰ্তীক অধিকাৰ কৰিয়েই পৰৱৰ্তীৰ আবিৰ্ভাৱ”—ঠাকুৰে কৈছে। আৰু আমি যে বিভিন্ন অনুষ্ঠানত, সৎসঙ্গত, উৎসৱত জয়ধ্বনি দিওঁ, ঠাকুৰৰ জয়ধ্বনি, বড়মাৰ জয়ধ্বনি, বড়দাৰ জয়ধ্বনি, আচাৰ্য্যদেৱৰ জয়ধ্বনি, সৎসঙ্গৰ জয়ধ্বনি; আমি এতিয়ালৈকে কৈছিলোঁ—“পৰমপ্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰজী কী জয়, পৰমাৰাধ্যা জগজ্জননী শ্ৰীশ্ৰীবড়মা কী জয়, পৰমপূজ্যপাদ শ্ৰীশ্ৰীবড়দা কী জয়, পৰমপূজ্যপাদ আচাৰ্য্যদেৱ শ্ৰীশ্ৰীদাদা কী জয়, সৎসঙ্গ কী জয়”; এতিয়াৰে পৰা আমি “পৰমপূজ্যপাদ আচাৰ্য্যদেৱ শ্ৰীশ্ৰীদাদা কি জয়”—ইয়াৰ সলনি স্থায়ীভাৱে কম—“পৰমপূজ্যপাদ শ্ৰীশ্ৰীআচাৰ্য্যদেৱ কি জয়”। ‘শ্ৰীশ্ৰীদাদা’ কোৱাৰ কোনো প্ৰয়োজন নাই। ‘আচাৰ্য্যদেৱ কি জয়’ বুলি কলেই পূৰ্ব্বৱৰ্তী আচাৰ্য্যদেৱ তথা বৰ্তমান আচাৰ্য্যদেৱ সহ ঠাকুৰ-বাহী যি আচাৰ্য্য-পৰম্পৰা, সেই পৰম্পৰাকেই জয়ধ্বনি দিয়া হব। তাৰ ভিতৰত পূৰ্ব্বৱৰ্তী, বৰ্তমান আৰু পৰৱৰ্তী—সমগ্ৰই পৰিব্যাপ্ত, তাৰ ভিতৰত অন্তৰ্গত। এই কাৰণে এতিয়াৰে পৰা আমি স্থায়ীভাৱে—“পৰমপ্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰজী কী জয়, পৰমাৰাধ্যা জগজ্জননী শ্ৰীশ্ৰীবড়মা কী জয়, পৰমপূজ্যপাদ শ্ৰীশ্ৰীবড়দা কী জয়, পৰমপূজ্যপাদ শ্ৰীশ্ৰীআচাৰ্য্যদেৱ কী জয়, সৎসঙ্গ কী জয়”—এনেভাৱেই কৰলৈ অভ্যস্ত হম।

আৰু এটা কথা; বৰ্তমান যিজনা আচাৰ্য্যদেৱ, এতিয়ালৈকে কথা-প্ৰসঙ্গত যেতিয়া আমি তেওঁৰ সম্পৰ্কে কৈছিলোঁ, সহজভাৱে তেওঁৰ নাম ধৰিয়েই মাতিছিলোঁ। “বাবাইদা, বাবাইদাদা, পূজনীয় বাবাইদা, পূজ্যপাদ বাবাইদাদা”–এনেধৰণেৰে মাতিছিলোঁ। এতিয়াৰে পৰা সেইটো সামান্য পৰিবৰ্তন কৰা ভাল। আমাৰ আৰ্য্য-ভাৰতীয় সংস্কাৰ হল–যিজনা গুৰু, গুৰু-স্থানীয়, যিজনা আচাৰ্য্য, এনেভাৱে তেওঁৰ নাম ধৰি মতা শোভনীয় নহয়। কেৱল ‘আচাৰ্য্যদেৱ’ বুলিও মাতিব পাৰে, যিসকলে কেৱল ‘দাদা’ বুলি মাতে তেওঁলোকে দাদা বুলিয়েই মাতিব, অথবা যেতিয়া সন্মুখত আহি তেওঁৰ লগত কথা-বতৰা পাতিব তেতিয়া ‘দাদা’ বুলি মাতিব। কিন্তু নাম ধৰি দাদা বুলি মতা, এইটো শোভনীয় নহয়। এইটোৱেই আমাৰ আৰ্য্য-ভাৰতীয় পৰম্পৰা, এইটো আৰ্য্য-ভাৰতীয় সংস্কাৰ। এই সমূহ ৰক্ষা কৰিব লাগে, এই সমূহ পালন কৰিব লাগে, অনুসৰণ কৰিব লাগে। আমি যেতিয়া তেওঁৰ সম্বন্ধে কথা-প্ৰসঙ্গত কম, কেৱল 'আচাৰ্যদেৱ'–এনেভাৱেই কম, তেতিয়াই বুজা যাব যে এইটো তেওঁৰ সম্পৰ্কেই কথা হৈছে। আৰু এতিয়ালৈকে ‘শ্ৰীশ্ৰীদাদা’ কওঁতে তো মানুহে পৰমাৰাধ্য বাবাক বুজাইছিলে, তাৰ ফলত এটা বিভ্ৰান্তি সৃষ্টি হব পাৰে। এই কাৰণে কেৱল ‘আচাৰ্য্যদেৱ’ কোৱাই ভাল। যিসকল ওচৰত থাকে, সহজভাৱে দাদা বুলিয়েই মাতে, তেওঁলোকে যেনেভাৱে দাদা বুলি মাতে, বা যেতিয়া তেওঁৰ লগত কথা পাতিব তেতিয়া দাদা বুলি মাতিব, সেইটো ঠিক আছে। কিন্তু যেতিয়া তেওঁৰ প্ৰসঙ্গত আলোচনা হব তেতিয়া ‘আচাৰ্যদেৱ’–এনেভাৱে সম্বোধন কৰাই ভাল, এইটোৱেই হৈছে বিধেয়। এইসমূহ অনুসৰণ কৰিব।

আৰু এটা কথা, শ্ৰীশ্ৰীঠাকুৰ আৰু শ্ৰীশ্ৰীবড়মা কিন্তু অভেদ। ঠাকুৰে নিজেই কৈছে–শ্ৰীশ্ৰীবড়মা হৈছে তেওঁৰেই নাৰী-ৰূপ, তেওঁৰ সমবিপৰীত সত্তা৷ সেয়ে বড়মাৰ প্ৰতিকৃতি ৰাখোঁ বা নাৰাখোঁ, তেওঁ সৰ্বদা ঠাকুৰৰ লগতেই আছে। শ্ৰীশ্ৰীবড়মাৰ স্থান কিন্তু ঠাকুৰৰ লগত এক লেভেলত। শ্ৰীশ্ৰীবড়দাৰ আসন বা আচাৰ্য্যদেৱৰ আসন তাৰ পৰা সামান্য তলত কৰিব লাগে–এইটোৱেই বিধেয়। এক লেভেল বা একে ঠাইত ৰাখি উপাসনা কৰিব নালাগে; এখন আসনত ৰাখি, আন এখন বিছনাত ৰাখি, এখনেই আসন বনালোঁ, তাতেই তিনি-চাৰিখন ছবি ৰাখি থলোঁ–এনেভাৱে কৰিব নালাগে। ইয়াৰ ফলত ভাৱৰ স্খলন হয়। অনেক সময়ত ৰাস্তাঘাটত দেখা যায়, বা বিভিন্ন ঘৰত দেখা যায়, দোকানত বিক্ৰি হয়, এখন ফটোৰ ফ্ৰেমৰ ভিতৰতেই ঠাকুৰৰ মুখ, ঠাকুৰৰ গাৰ কাষৰ পৰা বড়মাৰ মুখ ওলাই পৰিল, গাৰ আন এটা কাষেদি বড়দাৰ মুখ ওলাই পৰিল, পেটৰ ভিতৰেদি শ্ৰীশ্ৰীদাদাৰ মুখ ওলাই পৰিল, অন্য একাষেদি বৰ্তমান আচাৰ্য্যদেৱৰ মুখ ওলাই পৰিল। মানুহে এনেদৰে ভাবিলে–‘কেনে এখন ছবিৰ ভিতৰতে, এক ঠাইৰ ভিতৰতেই সকলোকে পালোঁ’। ইয়াৰ ফলত কিন্তু ভাৱৰ স্খলন হয়। এনেদৰে কৰা ভাল নহয়। আমাৰ ধ্যেয়, ইষ্ট, আৰাধ্য–সব ঠাকুৰ। আমাৰ ধ্যান ঠাকুৰত কেন্দ্ৰায়িত কৰাটোৱেই কিন্তু আমাৰ সাধনা। ঠাকুৰৰ লগত সকলোকে একাকাৰ কৰা, এইটো কিন্তু বিধেয় নহয়। এনেকি ঠাকুৰৰ যিজনা চেতন প্ৰতীক, এই প্ৰতীকৰ লগত যিমানখিনি সূক্ষ্ম অন্তৰ থকাৰ দৰকাৰ সেই অন্তৰখিনি ৰাখিব লাগে, এয়েই বিধেয়। এই সমূহ অনুসৰণ কৰিব লাগে। এই ভাৱসমূহ যদি আমি ধৰি নাৰাখোঁ, তেনেহলে আমাৰ অন্তৰৰ ভাৱ পৰিপুষ্ট নহয়। তেনেহলে আমি যি হোৱাৰ বাবে সাধনা কৰিছোঁ, সেই হোৱাৰ পৰা বঞ্চিতই হৈ থাকোঁ। মনৰ ঘানিৰ ভিতৰৰ এঠাইত, মাহডলাত ঘূৰ খাই-খাই পৰোঁ, বৃদ্ধি নহয়। জীৱনবৰ্দ্ধনৰ বাবেই তো এই-সকলো যি আমি কৰোঁ! সেই কাৰণে এই সমূহ অনুসৰণ কৰিব লাগে৷ আৰু, ঠাকুৰৰ পটত অন্য কোনো প্ৰতিকৃতি ৰখা ভাল নহয়। অনেকেই আমাৰ পূজনীয় আছে, যাক মোৰ পূজ্য বুলি মনলৈ আহে, যাক মোৰ ভাল লাগে, যাক ভালপাওঁ, সেই ভালপোৱাৰ বাবে প্ৰতিকৃতি যদি মই ৰাখিব বিচাৰোঁ, পৃথকভাৱে ৰাখিব লাগে। ঠাকুৰৰ আসন কিন্তু ঠাকুৰ, বড়মা, বড়দা আৰু বৰ্তমান আচাৰ্য্যদেৱ–এইকেইজনাক লৈয়েই; এনেভাৱেই ৰক্ষা কৰিব লাগে। ইয়াৰ বাহিৰে কৰাটো কিন্তু বিধিসম্মত নহয়। আমি যিসকলে ঠাকুৰ লৈ চলোঁ, এক আদেশত, এক বিধি, এক অনুশাসনত অনুপ্ৰাণিত

হৈ যদি নচলোঁ, তাক যদি পৰিপালন নকৰোঁ, তেনেহলে ঠাকুৰে যেনেভাৱে আমাক হৈ উঠিবলৈ কৈছে, সেই হৈ উঠাৰ পৰা জানো আমি বঞ্চিত হৈ নাথাকিম? সেয়ে এইটো সকলোৰেই অনুসৰণ কৰিব এনেভাৱেই।

এই সময়ত, এই পৰিবৰ্তনৰ সময়ত মনৰ ভিতৰত অদ্ভুত এটা প্ৰক্ৰিয়া কাম কৰে, সেই কাৰণে মনটো বিক্ষিপ্ত হৈ থাকে সকলোৰে। মনটোক সংহত কৰি তোলা এতিয়া দৰকাৰ প্ৰত্যেকৰেই। আচাৰ্য্যদেৱে যেনে ভাৱেৰে কয়, তেওঁৰ ইচ্ছা, তেওঁৰ অভীপ্সা, তেওঁৰ অভিপ্ৰায়–তাক বুজা, বুজি সেই অনুযায়ী কামত লাগি যোৱা; তেওঁ সেইদিনাখন, কেইদিনমানৰ আগতে সৎসঙ্গত, আপনালোক সকোলোৰেই হয়তো শুনিছে, কলে–নিজে নিজে সাৱধান হৈ থকাৰ কথা। এতিয়াও এই সংক্ৰমণৰ আশংকা শেষ হৈ যোৱা নাই, আৰু এটা ঢেউ হয়তো আহিব পাৰে। নিজৰ লগতে নিজৰ পাৰিপাৰ্শ্বিক, পৰিবাৰ, পৰিবেশ, আটাইকে বচোৱা–এয়া আমাৰ কৰ্তব্য। সাৱধান হৈ চলক, ইষ্টমুখী হৈ চলক, তন্ময় থাকক, নিত্যযাজী হওক। আৰু, সকলোতকৈ আগতে দৰকাৰ, নিত্য যজনশীল হোৱা। নামধ্যান, ইষ্টভৃতি, স্বস্ত্যয়নীৰ বিধি যথাযথ পৰিপালনৰ প্ৰচেষ্টা, পৰমদয়ালৰ অমিয় বাণীপাঠ কৰি, সেই সমূহ অনুধাৱন কৰি পৰিপালন কৰাৰ প্ৰচেষ্টা, আত্মবিশ্লেষণ–এই সমূহ প্ৰত্যেকৰে অত্যন্ত দৰকাৰ। তেনেহলেই আচাৰ্য্যদেৱ-ঈপ্সিত যি সমূহ তাক আমিও নিজে নিজে পৰিপালন কৰিব পাৰিম, আৰু আমাৰ চলা দেখি উদ্বুদ্ধ হৈ সেই উদাহৰণেৰে শত-শত, হাজাৰ-হাজাৰ মানুহ উদ্বুদ্ধ হৈ উঠিব। মানুহ জীৱনবৰ্দ্ধনৰ পথত আৰু অধিক দৃঢ় হব। প্ৰত্যেকৰে জীৱনত ঠাকুৰ জয়যুক্ত হৈ উঠিব। এই সাধনাত চলিবলৈ আমি অঙ্গীকাৰ কৰিবই লাগিব। তেনেহলেহে আমি বুকু ফুলাই কব পাৰিম– “হয়, মই তোমাৰেই, মই তোমাৰেই, মই তোমাৰেই! মোৰ জীৱনত তুমিয়েই জয়যুক্ত, মই তোমাকেই জয়ী কৰোঁ সকলো সময়তে–মোৰ জীৱনত। মোৰ কোনো দুৰ্বলতা নাই।” যেনেভাৱে পৰমাৰাধ্য বাবাই–তেওঁ তেওঁৰ সমগ্ৰ জীৱন দি, সমগ্ৰ সত্তা দি, সমগ্ৰ চেতনা দি, খালি ‘তেওঁৰেই’ প্ৰতিষ্ঠা কৰি গৈছে, ‘তেওঁকে’ই পৰিবেশন কৰি গৈছে–সকোলোৰে ভিতৰত। কাকো কেতিয়াও দুঃখ দিয়া নাই, কষ্ট দিয়া নাই, খালি অকাতৰে দিয়েই গৈছে। সমগ্ৰ সত্তা দি, সমগ্ৰ জীৱন দি, সমগ্ৰ চেতনা দি, সমগ্ৰ কৰ্ম্ম দি, খালি ‘তেওঁৰেই’ প্ৰতিষ্ঠা কৰিছে তেওঁ। আৰু কৰি দেখুৱাই, বুজাই দি গৈছে যে–এইটো কৰা যায়। আৰু এইটোৰেই একমাত্ৰ ভাল থকাৰ উপায়, চিৰজীৱী হোৱাৰ উপায়। এই দেহ নাথাকে–দেহ নশ্বৰ। দেহবিহীন হৈয়ো অনন্তকাল ধৰি বাচি থকা যায়। যেনেকৈ, অনন্তকাল ধৰি বাচি থাকিব পৰমাৰাধ্য পিতৃদেৱে।

আপোনালোকৰ সকলোৰেই পৰমদয়ালৰ অমিয় আশিস্ লাভ কৰক, নিজৰ জীৱনত তেওঁৰ আশীৰ্বাদত স্নাত হওক। আচাৰ্য্যদেৱৰ ইচ্ছানুৰূপ চলনত অভ্যস্ত হৈ উঠক, তেনেহলেই জীৱন সাৰ্থক হব। আমাৰ ঠাকুৰ ধৰি চলা সফল হব, আমাৰ জীৱন পূৰ্ণতাৰ পথত আগবাঢ়ি যাব, সাৰ্থকতাৰ পথত আগবাঢ়ি যাব। জয়গুৰু!

বন্দে পুৰুষোত্তমম্! বন্দে পুৰুষোত্তমম্!! বন্দে পুৰুষোত্তমম্!!!